


সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল


পাঠ - ৯

ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা

অংশ – ২

জ্যোতি দাস

শিকনৰ ফলাফল



- ভাৰতৰ বৃষ্টিপাত আৰু তাৰ অঞ্চলৰ বিষয়ে জানিম।
- ভাৰতৰ তাপামাত্রাৰ প্রভাৱৰ বিষয়ে জানিম।

ভাৰতবৰ্ষৰ বৃষ্টিপাত (Rainfall)

- বছৰটোৰ বৃষ্টিপাতৰ গড় পৰিমাণৰ ভিত্তিত সিপিঠিত দিয়া ধৰণে ভাৰতক কেইটামান বৃষ্টিপাত অঞ্চলত ভাগ কৰিব পৰা যায়।

বৃষ্টিপাত অঞ্চল (পৰিমাণৰ ভিত্তিত)	বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ	বৃষ্টিপাত হোৱা ঠাইসমূহৰ নাম
অত্যধিক বৃষ্টিপাত হোৱা অঞ্চল	বৃষ্টিপাতৰ পৰিমাণ ২০০ চেন্টিমিটাৰৰ অধিক	পশ্চিম উপকূলীয় অঞ্চল- থিৰুৱানন্তপুৰমৰ পৰা মুম্বাইলৈ, অসম, মেঘালয়, নগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, ত্ৰিপুৰাৰ কিছু অংশ, পশ্চিমবংগৰ উত্তৰ-পূব ভাগ।

বৃষ্টিপাত অঞ্চল (পৰিমাণৰ ভিত্তিত)	বার্ষিক বৃষ্টিপাতৰ পৰিমাণ	বৃষ্টিপাত হোৱা ঠাইসমূহৰ নাম
বেছি বৃষ্টিপাত হোৱা অঞ্চল	বৃষ্টিপাতৰ পৰিমাণ ১০০-২০০ চেন্টিমিটাৰৰ ভিতৰত	পশ্চিমঘাট (সহ্যাদ্রী) পর্বতৰ পূব অংশ, উত্তৰ ভাৰতৰ সমভূমি অংশ, উৰিষ্যা, মধ্যপ্রদেশ, উত্তৰ প্রদেশ, তামিলনাড়ু, জম্মু-কাশ্মীৰ, হিমাচল প্রদেশ ইত্যাদি।
কম বৃষ্টিপাত হোৱা অঞ্চল	বৃষ্টিপাতৰ পৰিমাণ ৫০-১০০ চেন্টিমিটাৰৰ ভিতৰত	গুজৰাট, মহাৰাষ্ট্র, অন্ধ্রপ্রদেশ, কর্ণাটক, ৰাজস্থানৰ পূবৰ অংশ, মধ্যপ্রদেশৰ পশ্চিমাংশ, পঞ্জাব, হাৰিয়ানা, উত্তৰ প্রদেশৰ অংশ বিশেষ।

বৃষ্টিপাত অঞ্চল (পৰিমাণৰ ভিত্তিত)	বার্ষিক বৃষ্টিপাতৰ পৰিমাণ	বৃষ্টিপাত হোৱা ঠাইসমূহৰ নাম
অতি কম বৃষ্টিপাত হোৱা অঞ্চল	বৃষ্টিপাতৰ পৰিমাণ ৫০ চেন্টিমিটাৰ ভিতৰত	ৰাজস্থানৰ পশ্চিম অংশ, কচ্চ আৰু লাডাখ।




তাপমাত্রা (Temperature)

- এটা ঠাইত উষ্ণতাৰ তাৰতম্য ঘটে।
- কোনো ঠাইৰ উষ্ণতাৰ তাৰতম্য বহুতো কাৰকৰ দ্বাৰা প্ৰভাৱিত হয় —
  - বতাহ
  - সূৰ্য্যৰ তাপ
  - কোনো ঠাইৰ উচ্চতা
  - বিষুৱৰেখা আদিৰ পৰা দূৰত্ব।
- বাৰিষাৰ বৰষুণে ভাৰতৰ প্ৰায়বোৰ ঠাইৰ উষ্ণতাত প্ৰভাৱ পেলায়।

- নৱেম্বৰৰপৰা ভাৰতবৰ্ষৰ স্থানসমূহত তাপমাত্রা হ্রাস হ'বলৈ ধৰে।
- নৱেম্বৰৰপৰা মার্চ মাহলৈ এই সময়ছোৱাত গংগাৰ উপত্যকা অঞ্চলৰ তাপমাত্রা আন অঞ্চলতকৈ তুলনামূলকভাৱে হ্রাস পায়।
- দক্ষিণ ভাৰতৰ স্থানসমূহত উত্তৰ ভাৰতৰ তুলনাত এই সময়ত তাপমাত্রা কিছু অধিক হৈ থাকে।

- মার্চৰপৰা জুন মাহলৈ এই সময়ছোৱাত গোটেই ভাৰতত তাপমাত্রা বৃদ্ধি পায়।
- ৰাজস্থানৰ পশ্চিম অঞ্চলত তাপমাত্রা দেশৰ ভিতৰতে সর্বাধিক হয়।
- উত্তৰ ভাৰতৰ ঠাইবোৰৰ তুলনাত দক্ষিণ ভাৰতৰ তাপমাত্রা অধিক হয়।



- জুন মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ বহু ঠাইত তাপমাত্রা কমি যায়।

কাৰণ : বাৰিষাৰ বতাহ যিয়ে প্রচণ্ড বৰষুণ আনে।

- ছেপ্টেম্বৰৰ মাজভাগৰ পৰা নৱেম্বৰলৈকে জলবায়ু সুখদায়ক হৈ পৰে।

কাৰণ : এই সময়ছোৱাত সূর্যৰ ৰশ্মি ভাৰতৰ ওপৰত হেলনীয়াকৈ পৰে।

জানি থওঁ আহাঁ

ভাৰতক তাপমাত্রাৰ ভিত্তিত চাৰিটা প্রধান কাল বা ঋতুত ভাগ কৰিব পাৰি —

- নৱেম্বৰৰ পৰা মার্চ মাহলৈ — **শীতকাল**
- মার্চৰপৰা জুন মাহলৈ — **গ্রীষ্মকাল**
- জুনৰপৰা ছেপ্টেম্বৰ মাহৰ মাজ ভাগলৈ — **বর্ষা কাল**
- ছেপ্টেম্বৰ মাজ ভাগৰপৰা নৱেম্বৰ মাহলৈ — **শৰৎ কাল**